# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। বিমান দুৰ্ঘটনা তদন্ত সংস্থা এ এ আই বিয়ে আহমেদাবাদ বিমান দুৰ্ঘটনাৰ আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে।

২। এয়াৰ ইণ্ডিয়াই দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ২৪১ গৰাকী আৰোহীৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰিছে।

৩। ডাক বিভাগে শৈক্ষিক, সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয় গ্ৰন্থৰ বহনসাধ্য বিতৰণৰ বাবে **জ্ঞান পোষ্ট** নামৰ সুকীয়া ডাকসেৱা আৰম্ভ কৰিছে।

৪। আৰ বি আইয়ে বন্ধ হৈ থকা একাউণ্ট আৰু গৰাকীবিহীন জমা ধনৰ একাউণ্ট সক্ৰিয় কৰাৰ বাবে সকলো শাখাতে কে ৱাই চি আপডেটৰ সুবিধা উপলব্ধ কৰিবলৈ সকলো বেংকক নিৰ্দেশ দিছে।

*আৰু*

৫। বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াই কালি দ্বিতীয় দিনাৰ খেলৰ সামৰণি পৰলৈকে ৮টা উইকেট হেৰুৱাই ১৪৪ ৰান সংগ্ৰহ কৰে।

০০০০০

বিমান দুৰ্ঘটনা তদন্ত সংস্থা এ এ আই বিয়ে আহমেদাবাদ বিমান দুৰ্ঘটনাৰ আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে কৈছে, যে আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থাই ধাৰ্য কৰা আন্তঃৰাষ্ট্ৰীয় নিয়ম অনুযায়ী দুৰ্ঘটনাৰ তদন্ত কৰা হ'ব। তেওঁ কয়, যে চৰকাৰে বিষয়টো বিশদভাৱে চালিজাৰি চোৱাৰ বাবে বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞক লৈ এখন উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰাৰ কথা বিবেচনা কৰিছে। কমিটীখনে বিমান পৰিবহণ নিৰাপত্তা শক্তিশালী কৰা আৰু ভৱিষ্যতে এনে ধৰণৰ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে কাম কৰিব।

এয়াৰ ইণ্ডিয়াই কালি আহমেদাবাদ বিমান বন্দৰৰ পৰা লণ্ডণ অভিমুখে উৰা মৰা ঠিক পাছতেই দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ২৪১ গৰাকী আৰোহীৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰিছে। বয়িং 787-8 শ্ৰেণীৰ বিমানখনত ২৪২ গৰাকী যাত্ৰী আৰু চালক দলৰ সদস্য আছিল। বিমানখনত ১৬৯ গৰাকী ভাৰতীয়, ৫৩ গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক আছিল। আন ১২ গৰাকী লোকৰ ভিতৰত দুগৰাকী পাইলট আৰু চালক দলৰ ১০ জন সদস্য আছিল। দুৰ্ঘটনাগ্ৰস্ত স্থানৰো কেইবাগৰাকী লোক নিহত হোৱা বুলি জানিব পৰা গৈছে। গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা বিজয় ৰূপানিয়ে দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে। বিশ্বাস কুমাৰ ৰমেশ নামৰ এজন লোক দুৰ্ঘটনাত কথমপি ৰক্ষা পৰিছে। বিমানখনৰ পাইলটগৰাকীয়ে দিনৰ ১ বাজি ৩৯ মিনিটত উৰা মৰাৰ ঠিক

পাছতেই পূৰ্ণ জৰুৰী অৱস্থা ঘোষণা কৰি বিপৰ্যয়ৰ বাৰ্তা প্ৰেৰণ কৰিছিল। বিমান নিৰ্মাতা কোম্পানী বয়িঙে এটা বিবৃতিযোগে কৈছে, যে কোম্পানীটোৱে এয়াৰ ইণ্ডিয়াৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে আৰু টাটা গোটে মালিকীস্বত্ব লোৱা বিমান পৰিবাহী সংস্থাটোলৈ যিকোনো সাহায্য আগবঢ়াবলৈ ই সাজু আছে। দুৰ্ঘটনাৰ পাছতেই বয়িঙৰ শ্বেয়াৰ কালি ৪ শতাংশৰো অধিক তললৈ নামে।

টাটা গোটৰ অধ্যক্ষ এম চন্দ্ৰশেখৰণে এই শোকাৱহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ কোম্পানীয়ে ১ কোটি টকাকৈ সাহায্য আগবঢ়াব বুলি ঘোষণা কৰিছে। তেওঁ লগতে টাটা গোটে এই দুৰ্ঘটনাত আহত হোৱা লোকসকলৰ চিকিৎসা ব্যয় বহন কৰিব আৰু তেওঁলোকে যাতে পূৰ্ণ পৰিচৰ্যা লাভ কৰে সেয়া সুনিশ্চিত কৰিব। টাটা গোটে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱা বি জে চিকিৎসা মহাবিদ্যালয়ত এটা নতুন হোষ্টেল নিৰ্মাণত সহায় কৰিব বুলি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি দুৰ্ঘটনাৰ কেইঘণ্টামান পাছতেই আহমেদাবাদ পৰিদৰ্শন কৰে। তেওঁ উদ্ধাৰ আৰু সাহায্য অভিযানৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডু, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশ্বাহে কয়, যে এই দুৰ্ভাগ্যজনক ঘটনাক লৈ সমগ্ৰ ৰাষ্ট্ৰ শোকাভিভূত হৈ পৰিছে। দেশৰ প্ৰতিগৰাকী নাগৰিক এই দুৰ্ঘটনাত আপোনজনক হেৰুওৱা পৰিয়ালবৰ্গৰ সৈতে আছে বুলি তেওঁ মন্তব্য কৰে। গৃহমন্ত্ৰীগৰাকীয়ে দুৰ্ঘটনাৰ ফলত আহত ভালে কেইগৰাকী লোক চিকিৎসাধীন হৈ থকা আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ ট্ৰমা চেণ্টাৰ পৰিদৰ্শন কৰি চিকিৎসা ব্যৱস্থাৰ বুজ লয়। তেওঁ লগতে জৰুৰীকালীন পৰিচৰ্যাৰ তদাৰক কৰি থকা চিকিৎসক আৰু বিষয়াসকলৰ সৈতেও মত বিনিময় কৰে।

ooooo

ডাক বিভাগে শৈক্ষিক, সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয় গ্ৰন্থৰ বহনসাধ্য বিতৰণৰ বাবে **জ্ঞান পোষ্ট** নামৰ সুকীয়া ডাকসেৱা আৰম্ভ কৰিছে। দুৰ্গম আৰু গ্ৰামাঞ্চলকে ধৰি সমগ্ৰ দেশত ছপা শৈক্ষিক সামগ্ৰী সুলভ কৰি শৈক্ষিক ব্যৱধান হ্ৰাস কৰাই নতুন শিক্ষা নীতিৰ লক্ষ্য অনুযায়ী আৰম্ভ কৰা এই সেৱাৰ মূল উদ্দেশ্য। জ্ঞান ডাক সেৱাৰ অধীনত ৩০০ গ্ৰাম পৰ্যন্ত পেকেটৰ বাবে ২০ টকা আৰু ৫ কিলোগ্ৰাম পৰ্যন্ত পেকেটৰ বাবে সৰ্বাধিক ১০০ টকা ধাৰ্য কৰা হৈছে। স্বচ্ছতা আৰু নিৰ্ভৰযোগ্যতা সুনিশ্চিত কৰাৰ বাবে এই সেৱা যোগে প্ৰেৰণ কৰা সামগ্ৰী গন্তব্য স্থান পাইছে নে নাই সেয়া পৰীক্ষা কৰি চোৱাৰ সুবিধাও উপলব্ধ হ'ব। এই বিষয়ে অধিক তথ্যৰ বাবে ওচৰৰ ডাকঘৰৰ সৈতে যোগাযোগ কৰিব পৰা যাব অথবা ভাৰতীয় ডাক বিভাগৰ ৱেবছাইটত চাব পৰা যাব।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে আৰ বি আইয়ে বন্ধ হৈ থকা একাউণ্ট আৰু গৰাকীবিহীন জমা ধনৰ একাউণ্ট সক্ৰিয় কৰাৰ বাবে সকলো শাখাতে কে ৱাই চি আপডেটৰ সুবিধা উপলব্ধ কৰিবলৈ সকলো বেংকক নিৰ্দেশ দিছে।

আৰ বি আইয়ে কালি এখন প্ৰেছ বিজ্ঞপ্তিযোগে কয়, যে বেংক সমূহে ভিডিঅ' গ্ৰাহক চিনাক্তকৰণ প্ৰক্ৰিয়াৰ মাজেৰেও এনে একাউণ্টৰ ধনৰাশিৰ বাবে কে ৱাই চি আপডেটৰ সুবিধা প্ৰদান কৰিবলৈ চেষ্টা চলোৱা উচিত। ইয়াৰ উপৰি বেংকসমূহক বন্ধ হৈ থকা একাউণ্টসমূহ সক্ৰিয় কৰাৰ বাবে প্ৰাধিকৃত বেংকিং সেৱা প্ৰতিনিধিৰ সহায় ল'বলৈ কোৱা হৈছে।

ooooo

ইউক্ৰেইন আৰু ৰাছিয়াই কালি কাৰাবন্দী বিনিময়ৰ দ্বিতীয় পৰ্যায় সম্পূৰ্ণ কৰে। এই পৰ্যায়ত বিনিময় কৰা কাৰাবন্দীসকলৰ মাজত গুৰুতৰভাৱে অসুস্থ আৰু আঘাতপ্ৰাপ্ত সৈনিকো আছে। ইউক্ৰেইন সশস্ত্ৰ বাহিনী নেচনেল গাৰ্ড আৰু বৰ্ডাৰ গাৰ্ডৰ সৈনিকসকলক মুকলি কৰি দিয়া হৈছে বুলি দেশখনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে ঘোষণা কৰিছে। একে সময়তে ইউক্ৰেইনৰ তৰফৰ পৰা ৰাচিয়াৰ সৈনিকৰ এটা দল মুকলি কৰি দিয়া হৈছে আৰু তেওঁলোকক বেলাৰুচত মানসিক আৰু স্বাস্থ্যৰ যতন লোৱা হৈছে বুলি ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

ইস্তানবুলত কৰা চুক্তি অনুসৰি ৯ জুনত প্ৰথমটো কাৰাবন্দী বিনিময় কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল।

০০০০০

বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াই কালি দ্বিতীয় দিনাৰ খেলৰ সামৰণি পৰলৈকে ৮টা উইকেট হেৰুৱাই ১৪৪ ৰান সংগ্ৰহ কৰে। দিনান্তত ষ্টাৰ্কে ১৬ আৰু নাথন লায়ন ১ ৰান কৰি খেলি আছিল।

প্ৰথম ইনিংছত ২১২ ৰানত আউট হোৱাৰ পাছত অষ্ট্ৰেলিয়াই সুন্দৰ বলিং প্ৰদৰ্শনেৰে খেলখনলৈ প্ৰত্যাৱৰ্তন কৰে আৰু প্ৰথম ইনিংছত ৭৪ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত ইতিমধ্যে ৮টাকৈ উইকেট হেৰুৱাইছে যদিও দক্ষিণ আফ্ৰিকাতকৈ সামগ্ৰিকভাৱে ২১৮ ৰানত আগবাঢ়ি আছে।

ইয়াৰ পূৰ্বে, দক্ষিণ আফ্ৰিকাই কালি ১৩৮ ৰাণত প্ৰথম ইনিংছ সামৰিছে। দক্ষিণ আফ্ৰিকাই ৪ উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ৪৩ ৰাণৰ পৰা খেল আৰম্ভ কৰি কালি ৯৫ ৰাণহে যোগ দিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ ডেভিদ বেডিংহামে সৰ্বাধিক ৪৫ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ পেট কামিন্‌ছে ৬টা উইকেট দখল কৰে।

উল্লেখযোগ্য যে, অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ২১২ ৰান সংগ্ৰহ কৰিছিল।

০০০০০

জাৰ্মানীৰ মিউনিখত চলি থকা ISSF 2025 বিশ্বকাপত ভাৰতীয় শ্বুটাৰ চিফ্‌ট কৌৰ শৰ্মাই মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী পজিছন শিতানত কালি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ২৩ বছৰীয়া চিফ্‌টে চূড়ান্ত খেলত ৪৫৩ দশমিক ১ পইণ্টেৰে তৃতীয় স্থান লাভ কৰে। নৰৱেৰ জেনেট হেগ দুস্তেডে ৪৬৬ দশমিক ৯ পইণ্টেৰে সোণৰ আৰু ছুইজাৰলেণ্ডৰ এমিলি জেগিয়ে ৪৬৪ দশমিক ৮ পইণ্টেৰে ৰূপৰ পদক হস্তগত কৰে। মিউনিখ বিশ্বকাপত এইটো হৈছে ভাৰতৰ দ্বিতীয়টো পদক। ইয়াৰ পূৰ্বে মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত ইলাভেনী ভেলেৰীভানে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। বিশ্বৰ ৭৮ খন দেশৰ প্ৰায় ৭০০ গৰাকী খেলুৱৈয়ে চলিত তৃতীয় বিশ্বকাপত অংশগ্ৰহণ কৰিছে।

০০০০০

FIH প্ৰ' লীগ হকী প্ৰতিযোগিতাত কালি সন্ধিয়া নেডাৰলেণ্ডছৰ এমটেল্‌ভীনত অনুষ্ঠিত এখন খেলত ভাৰত আৰ্জেণ্টিনাৰ হাতত ১-২ গলৰ ব্যৱধানত পৰাস্ত হয়। ভাৰতৰ যুগৰাজ সিঙে খেলৰ চতুৰ্থ মিনিটতে গল দি দলৰ অগ্ৰগতি প্ৰদান কৰে যদিও কিছুসময়ৰ পাছত ট'মাছ ডমেনেই দিয়া গলেৰে আৰ্জেণ্টিনাই সমতা স্থাপন কৰে। প্ৰথমাৰ্থত দুয়োটা দলেই গল দিয়াৰ কেইবাটাও সুযোগ লাভ কৰিছিল যদিও উভয় দলৰ গল ৰক্ষক কৃষণ বাহাদুৰ পাঠক আৰু টমাছ ছেণ্টিয়াগোৰ সুন্দৰ প্ৰদৰ্শনৰ বলত বিৰতিৰ পৰলৈকে স্ক'ৰ ১-১ গলত অপৰিৱৰ্তিত হৈ থাকে। খেলৰ ৪৯ মিনিটত ডমেনে পুনৰ গল দি আৰ্জেণ্টিনাক অগ্ৰগতি প্ৰদান কৰে। ভাৰতে খেলৰ অন্তিম মুহূৰ্তত পেনাল্টি লাভ কৰে যদিও এই সুযোগ গললৈ ৰূপান্তৰ কৰাত ব্যৰ্থ হয়। ভাৰতীয় দলৰ অধিনায়ক হৰমন প্ৰীট সিঙে আঙুলিত

পোৰা আঘাতৰ বাবে খেলখনত অংশগ্ৰহণ কৰিব নোৱাৰাত হাৰ্দিক সিঙে দলৰ নেতৃত্ব বহন কৰে। ভাৰতে বৰ্তমানলৈ ১২ খন খেলৰ পৰা ১৫ পইণ্ট লাভ কৰি পইণ্ট তালিকত পঞ্চম স্থানত আছে। ভাৰত পৰৱৰ্তী খেলত কাইলৈ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**